**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 02-07-2025
**Time :** 17-15 HRS

***Assamese Evening Bulletin***

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি নতুন দিল্লীত কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীক সাক্ষাৎ কৰে আৰু ৰাজ্যত কাম চলি থকা আন্তঃগাঁথনি প্ৰকল্প সন্দৰ্ভত আলোচনা কৰে। বৈঠকত কেন্দ্ৰীয় মন্ত্ৰী গাডকাৰীয়ে প্ৰকল্পসমূহৰ কাম নিৰ্ধাৰিত সময়ত আৰু দক্ষতাৰে সম্পূৰ্ণ কৰাৰ বাবে পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰ্যালয়ৰ সমৰ্থনৰ আশ্বাস দিয়ে।

মুখ্যমন্ত্ৰীয়ে আজি লাইফ কেয়াৰ লিমিটেডৰ অধ্যক্ষ শ্ৰীজয়েশ ছাইনিৰ সৈতেও ৰাজ্যৰ দ্ৰুত বিকাশশীল স্বাস্থ্য সেৱা খণ্ডত অংশগ্ৰহণৰ উদ্দেশ্যে স্বাক্ষৰ কৰা বুজাবুজিৰ চুক্তি ৰূপায়ণ সন্দৰ্ভত আলোচনা কৰে। ইপিনে, আই চি আই চি আই ফাউণ্ডেচন আৰু আই চি আই চি আই বেংকৰ এটা প্ৰতিনিধি দলে আজি মুখ্যমন্ত্ৰীক সাক্ষাৎ কৰে আৰু অসমত চলি থকা ব্যৱসায়িক সামাজিক দায়বদ্ধতাৰ প্ৰচেষ্টা সম্পৰ্কে আলোচনা কৰে। বৈঠকত ৰাজ্য চৰকাৰ আৰু আই চি আই চি আই ফাউণ্ডেচনৰ যৌথ সহযোগিতাৰ সৈতে ব্যৱসায়িক - সামাজিক দায়বদ্ধতাৰ প্ৰচেষ্টা সমূহ অধিক শক্তিশালী কৰি ক্ষুদ্ৰ ঋণ গ্ৰহণকাৰীৰ বাবে সুলভ কৰাৰ বিষয়ে গুৰুত্ব আৰোপ কৰা হয়।

০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অহা ৫ জুলাইত বাক্সাৰ জালাহত ৰাইজৰ সৈতে চৰকাৰী আঁচনি আৰু ৫টা মণ্ডলৰ কৰ্মকৰ্তাৰ সৈতে বি টি চি নিৰ্বাচন সম্পৰ্কত মত বিনিময় কৰিব। জিলা প্ৰশাসনে এই কাৰ্যসূচী সুচাৰুৰূপে অনুষ্ঠিত কৰিবলৈ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰিছে। বি টি আৰৰ কাৰ্যবাহী সদস্য গৌতম দাসে কয়, যে মুখ্যমন্ত্ৰী ড° শৰ্মাই অহা ৫ জুলাইত প্ৰথমে মুছলপুৰত উপস্থিত হৈ ৰাজ্য চৰকাৰৰ বিভিন্ন আঁচনিৰ পৰ্যালোচনা সভাত অংশ ল'ব। ইয়াৰ পাছত তেওঁ জালাহৰ শ্ৰীশ্ৰী লক্ষ্মী মন্দিৰ প্ৰাংগণত আয়োজিত সভাত ৫টা মণ্ডলৰ প্ৰায় ৩ হেজাৰ ৫০০ কৰ্ম-কৰ্তাৰ সৈতে মত বিনিময় কৰিব।

০০০০

ৰাজ্য চৰকাৰে বান আৰু খহনীয়া সমস্যা সমাধানৰ বাবে আধুনিক প্ৰযুক্তিৰে নতুন মথাউৰি নিৰ্মাণ কৰি প্ৰতিৰোধী কাম অব্যাহত ৰাখিছে। মন্ত্ৰী পীযুষ হাজৰিকাই আজি জলসম্পদ বিভাগৰ বিষয়াসকলৰ সৈতে জনতা ভৱনত এখন বৈঠকত মিলিত হৈ এই প্ৰতিৰোধী ব্যৱস্থা সন্দৰ্ভত বুজ লয়। প্ৰতিখন জিলাৰ অভিযন্তাসকলে এই বৈঠকত ভাৰ্চুৱেলী অংশগ্ৰহণ কৰে। মন্ত্ৰী শ্ৰী হাজৰিকাই বৈঠকত ৰাজ্যৰ বান, খহনীয়া সমস্যা প্ৰতিৰোধৰ বাবে চলি থকা প্ৰকল্পসমূহৰ বৰ্তমানৰ স্থিতি, অগ্ৰগতি সন্দৰ্ভত পৰ্যালোচনা কৰে। প্ৰত্যেকখন জিলালৈ পৰ্যাপ্ত সামগ্ৰী প্ৰেৰণৰ ক্ষেত্ৰতো তেওঁ বৈঠকত গুৰুত্ব আৰোপ কৰে। তেওঁ চৰকাৰী আঁচনিসমূহ ৰূপায়ণৰ ক্ষেত্ৰত চৰকাৰী ধনৰ যাতে অপচয় নহয়, সেই দিশত সজাগ হ'বলৈ বিষয়াসকলক আহ্বান জনায়।

০০০০

অসম প্ৰকাশন পৰিষদে অসমীয়া, বাংলা আৰু বড়োকে ধৰি অন্যান্য জনগোষ্ঠীয় ভাষাৰ গ্ৰন্থকাৰসকলৰ ২২ টা নিৰ্বাচিত বিষয়ত গ্ৰন্থৰ পাণ্ডুলিপি প্ৰকাশৰ পৰিকল্পনা কৰিছে। ৰাজ্যৰ লেখক তথা বৌদ্ধিক ক্ষেত্ৰৰ সৈতে জড়িত ব্যক্তিসকলক সামৰি পৰিষদে গ্ৰন্থবৰ্ষ ২০২৫ ফেলশ্বিপ' শীৰ্ষক প্ৰকল্প গ্ৰহণ কৰিছে। এই প্ৰকল্পৰ অধীনত লেখক-গ্ৰন্থকাৰসকলে পৰিষদৰ দ্বাৰা নিৰ্ধাৰিত বিষয়সমূহৰ মাজৰ পৰা যিকোনো বিষয় বাছনি কৰি ৰচনা কৰা গ্ৰন্থৰ পাণ্ডুলিপিৰ বাবে ফেল'শ্বিপ লাভ কৰিব। গুৱাহাটীৰ বামুণীমৈদামস্থিত অসম প্ৰকাশন পৰিষদৰ কাৰ্যালয়ত আয়োজিত এখন সংবাদমেলত পৰিষদৰ সচিব প্ৰমোদ কলিতাই এই কথা প্ৰকাশ কৰে। এই প্ৰকল্পৰ অধীনত নিজৰ গ্ৰন্থ প্ৰকাশৰ বাবে ইচ্ছুক লেখক-গ্ৰন্থকাৰসকলে অহা ৩১ জুলাইৰ ভিতৰত নিজৰ গ্ৰন্থৰ বিষয় অবগত কৰি পৰিষদলৈ আবেদন কৰিব লাগিব। এই প্ৰকল্পৰ ক্ষেত্ৰত অংশগ্ৰহণৰ বাবে বয়সৰ কোনো উচ্চ সীমা নাই। প্ৰাচ্যতত্ত্ব, লোক-সংস্কৃতি, লোক-সাহিত্য, জনগোষ্ঠীয় সমাজ, বিজ্ঞান, সাহিত্য তত্ত্ব, ভাষাতত্ত্ব, পুৰাতত্ত্ব, সংস্কৃতি, শিশু সাহিত্য, মহৎ সাহিত্যৰ অনুবাদ, ইতিহাস, বীৰগাথা, জীৱনী, ক্ৰীড়া, চলচ্চিত্ৰকে ২২ টা বিষয়ক লৈ গ্ৰন্থৰ পাণ্ডুলিপি পৰিষদলৈ প্ৰেৰণ কৰিব পাৰিব। অহা চাৰিটা মাহৰ ভিতৰত গ্ৰন্থ ৰচনা কৰি জমা দিয়া লেখকৰ পাণ্ডুলিপি পৰিষদৰ দ্বাৰা গঠিত উচ্চ পৰ্যায়ৰ দহজনীয়া সমিতিয়ে পৰীক্ষা কৰিব। এই প্ৰকল্পৰ অধীনত মনোনীত হোৱা গ্ৰন্থৰ পাণ্ডুলিপিৰ লেখকে গ্ৰন্থৰ কলেৱৰ অনুসৰি ৫০ হাজাৰ টকাৰ পৰা ৭৫ হাজাৰ টকা লাভ কৰিব। মনোনীত অৰ্থাৎ ফেল'শ্বিপ লাভ কৰা পাণ্ডুলিপিসমূহ পৰ্যায়ক্ৰমে অসম প্ৰকাশন পৰিষদে প্ৰকাশ কৰিব।

০০০০

দেশভক্তি দিৱস উপলক্ষে ৰাজ্য চৰকাৰৰ তথ্য আৰু জনসংযোগ সঞ্চালকালয়ে অহা ২৭ জুলাইত গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত এখন কুইজ প্ৰতিযোগিতাৰ আয়োজন কৰিছে। স্বাধীনতা সংগ্ৰামী দেশভক্ত তৰুণৰাম ফুকনৰ নেতৃত্ব আৰু মাতৃভূমিৰ প্ৰতি তেখেতৰ অপৰিসীম শ্ৰদ্ধাক পুনৰ স্মৰণ আৰু সন্মান জনোৱাৰ প্ৰয়াস হিচাপে এই কুইজ প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। প্ৰতিযোগিতাৰ নিয়মাৱলী অনুসৰি এটা দলত ৩ জন সদস্য থাকিব লাগিব। বিজয়ী প্ৰতিযোগীক এক লাখ টকাৰ নগদ পুৰস্কাৰ আগবঢ়োৱা হ'ব। আগ্ৰহীসকলে ১৫ জুলাইৰ ভিতৰত সম্পূৰ্ণ বিনামূলীয়াকৈ পঞ্জীয়ন কৰিব পাৰিব।

০০০০

ঃঃ সমাপ্ত ঃঃ

ঃঃঃঃঃঃঃঃ